# Telephone Conversation between PM and the President of United States of America

April 04, 2020

# প্ৰধানমন্ত্ৰী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 04, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি মাননীয় ডোনাল্ড ট্ৰাম্পৰ সৈতে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়। কোভিড-19 মহামাৰীৰ বৰ্তমানৰ পৰিস্থিতি আৰু বৈশ্বিক কল্যাণ আৰু অৰ্থনীতিত ইয়াৰ প্ৰভাৱৰ বিষয়ে দুয়োগৰাকী নেতাই মত বিনিময় কৰে।

ৰোগত আমেৰিকাত অকালতে মৃত্যুক সাৱটি লোৱা সকলৰ বাবে প্ৰধানমন্ত্ৰীয়ে শোক প্ৰকাশ কৰে, আৰু লগতে আক্ৰান্ত হৈ থকাসকলৰ আশু আৰোগ্য কামনা কৰে।

দুয়োখন দেশৰ মাজত বিশেষ সম্পৰ্কৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে এই বৈশ্বিক সংকটৰ পৰা মুক্ত হ'বলৈ আমেৰিকাৰ কাষত থিয় দি একেলগে আগবাঢ়ি যোৱাৰ কথা দোঁহাৰে। দুয়োগৰাকী নেতাই ক'ভিড-19ৰ মোকাবিলা কৰিবলৈ ভাৰত-আমেৰিকাই সংকল্পবদ্ধ আৰু কাৰ্যকৰী ব্যৱস্থাৰে পূৰ্ণ শক্তিৰে যুঁজ দিয়াৰ বাবে সহমতত উপনীত হৈছে।

এই মহামাৰীয়ে স্বাস্থ্য আৰু অৰ্থনীতিত পেলোৱা প্ৰভাৱ দূৰ কৰাৰ বাবে দেশ দুখনে গ্ৰহণ কৰা সংশ্লিষ্ট পদক্ষেপসমূহৰ বিষয়েও প্ৰধানমন্ত্ৰী আৰু মাৰ্কিন ৰাষ্ট্ৰপতিয়ে মত বিনিময় কৰে।

দুয়োগৰাকী নেতাই এই জটিল সময়ছোৱাত শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ কল্যাণ সুনিশ্চিত কৰাৰ বাবে যোগ আৰু আয়ুৰ্বেদ (পৰম্পৰাগত ভাৰতীয় হাৰ্বেল ঔষধ সেৱন)ৰ অনুশীলনৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ক'ভিড-19ৰ বাবে সৃষ্টি হোৱা সংকটৰ পৰিপ্ৰেক্ষিতত উভয় দেশৰ বিষয়াবৰ্গই নিয়মীয়াকৈ যোগাযোগ স্থাপন কৰি যাব বুলি দুয়োগৰাকী নেতাই সহমতত ব্যক্ত কৰে।

নতুন দিল্লী
এপ্ৰিল 04, 2020

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.